সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৯

ইণ্টাৰনেটৰ তিতা-মিঠা

অংশ - ১

অংগৰাগ ভূঞা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গদ্যাংশ

ইণ্টাৰনেটৰ তিতা-মিঠা



ডঃ প্ৰণয়ী দত্ত

ইণ্টাৰনেটৰ তিতা-মিঠা

কুঁৱলীৰ আজি উলাহতে হিয়া নধৰা হৈছে। দেউতাকে তাইক এটা কম্পিউটাৰ উপহাৰ দিব। এইবাৰ নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰথম হৈ উত্তীৰ্ণ হৈছে বাবে। তাইৰ বাবে তাতোকেও হেঁপাহৰ বতৰাটো হ'ল- কম্পিউটাৰটোত হেনো ইণ্টাৰনেটো সংযোগ কৰি দিব!

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দেউতাকে মাকক কোৱা তাই শুনিছে-তাইৰ জ্ঞানৰ পৰিধি যাতে অসীমলৈ বিস্তাৰিত হয়, এই আশাৰে তেওঁ এই বিশেষ উপহাৰ দিয়াৰ সিদ্ধান্ত লৈছে। কম্পিউটাৰ সম্বন্ধে তাইৰ কিছু ব্যৱহাৰিক জ্ঞান আছে, স্কুলতো ব্যৱহাৰ কৰিছে, কিন্তু ইণ্টাৰনেট সম্বন্ধে তাইৰ জ্ঞান একেবাৰে সীমিত বুলিয়েই ক'ব পাৰি। তাই মাত্ৰ জানে যে 'Interconnection of Networks' - এই শব্দকেইটাৰ প্ৰথম অংশৰ সংযোজন ঘটি 'Internet' শব্দৰ সৃষ্টি হৈছে।

ইয়াক চমুকৈ Net (নেট) বুলিও কোৱা হয়। ই হৈছে কম্পিউটাৰ নেটৱৰ্কৰ বিশ্বব্যাপী এক ব্যৱস্থা। অর্থাৎ কম্পিউটাৰ নেটৱৰ্কৰে এক নেটৱৰ্ক। সহজভাবে বুজিবলৈ হ'লে এখন নেটৱৰ্কত যদি কেইবাহাজাৰ কম্পিউটাৰ আছে, তেন্তে এনে হাজাৰ হাজাৰ বিভিন্ন প্রকাৰ আৰু আকাৰৰ নেটৱৰ্কৰ সমষ্টিয়েই হৈছে ইণ্টাৰনেট। দেউতাকে কম্পিউটাৰ উপহাৰস্বৰূপে দিব বুলি শুনাৰ পিছৰ পৰাই কুঁৱলীয়ে ইণ্টাৰনেট সম্বন্ধে সম্যকভাবে পঢ়া-শুনা কৰি ইয়াক ব্যৱহাৰ

কৰাৰ নিয়ম আৰু কৌশলবোৰ শিকি ল'লে। এতিয়া মাত্ৰ ইণ্টাৰনেট সংলগ্ন কম্পিউটাৰে তাইৰ পঢ়া কোঠালি কেতিয়া শুৱনি কৰেহি তাৰে সপোন দেখাত তাই ব্যস্ত।

যথাসময়ত কুঁৱলীৰ সপোনে বাস্তৱ ৰূপ পালে। ইণ্টাৰনেট ব্যৱহাৰ কৰিবলৈ তাই উদগ্ৰীৱ হৈ পৰিল। তাইৰ ভাৱনাৰ সাগৰখনত বহুতো নজনা কথা আছে। কম্পিউটাৰটো একান্ত নিজৰ সম্পত্তি হিচাপে পোৱাৰ পাছত তাইৰ মনটো যেন থৌকি-বাথৌ হ'ল।



কোনটো নজনা কথা আগতে কম্পিউটাৰক সুধিব। ঠিক যেন জোনাক নিশা আকাশৰ তৰা গণি আইতাকৰ কোলাত মূৰ থৈ শুনা সেই সাধু কথাটি-এজনী ৰাজকুমাৰীৰ এখন যাদু থকা আইনা আছিল। যিকোনো প্ৰশ্ন কৰিলেই নিমিষতে উত্তৰ পোৱা যায়। ইণ্টাৰনেটত সঘনাই ব্যৱহৃত হৈ থকা WWW নো কি জানিবলৈ তাই গুগুলত সন্ধান কৰিলে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



লগে লগে উত্তৰ আহিল-১৯৮৯ চনত চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত পদাৰ্থকণিকাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক গৱেষণাৰ আন্তঃৰাষ্ট্ৰীয় আৰু অতি উচ্চমানৰ পৃথিৱীবিখ্যাত গৱেষণাকেন্দ্ৰ চার্ন (European organisation of Nuclear Research) চমুকৈ (CERN)-ত 'বৰ্ল্ড ৱাইড ৱেব' ধাৰণাটোৰ বীজ অংকুৰিত হৈছিল। পৃথিৱীজুৰি সিঁচৰতি হৈ থকা লাখ লাখ কম্পিউটাৰত মজুত থকা পৰস্পৰ সংলগ্ন বিভিন্ন তথ্য-পাতিৰ সামূহিক ভাণ্ডাৰ হৈছে ৱেব।

এই ৱেব বৰ্তমান অতি জনপ্ৰিয়। এই জনপ্ৰিয়তাৰ মূল কাৰণ- WWW-ত তথ্যবোৰ পাঠ, গ্ৰাফিকছ, ভিডিঅ' আৰু অডিঅ'ৰ মাধ্যমত থাকে আৰু সেইবোৰ সহজে ৱেবৰ পৰা আহৰণ কৰিব পাৰি। ইণ্টাৰনেটত সঘনাই ব্যৱহৃত হৈ থকা কিছুমান শব্দ যেনে ৱেব পেজ (Web Page), ৱেবচাইট (Website), হ'মপেজ (Home page), ব্ৰাউজাৰ (Browser) আদিৰ বিষয়েও তাই পলকতে ইণ্টাৰনেটৰ পৰা আয়ত্ত কৰিলে।

তাই নিশ্চিত হ'ল যে বিজ্ঞান, কলা বা আন যিকোনো ক্ষেত্ৰৰে আমি যি কথা জানিব বিচাৰোঁ, কম্পিউটাৰত টাইপ কৰি দিলেই হ'ল। ইণ্টাৰনেটৰ পৰা নিমিষতে সেই শব্দটোৰ পৃষ্ঠাজুৰি থকা বিৱৰণ চকুৰ আগত আহি পৰিব। এক কথাত ক'বলৈ গ'লে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডখনেই যেন ইণ্টাৰনেটত পুঞ্জীভূত হৈ পৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কুঁৱলীৰ অন্তৰংগ বান্ধবী শ্বেৰণ বৰ্তমান দেউতাকৰ চাকৰিসূত্রে মস্কোলৈ পঢ়িবলৈ গৈছে। সেয়ে কুঁৱলীয়ে ভাবিলে, তাইলৈকে ই-মেইলৰ শুভাৰম্ভ কৰা যাওক। ভবামতে কাম-নিমিষতে শ্বেৰণৰ পৰা সঁহাৰিও পালে-য'ত আছে বন্ধত মাক-দেউতাকৰ সৈতে ফুৰিবলৈ যোৱা ছেইন্ট পিটাৰ্ছবাৰ্গৰ বহুতো ৰঙীন ফটোৰ সৈতে তাইৰ অভিজ্ঞতাৰ বৰ্ণনা। এই বিৱৰণে কুঁৱলীক বাৰুকৈয়ে মোহিত কৰিলে।

তাই উপলব্ধি কৰিলে-ই মেইলৰ যোগেদি দেখোন বন্ধু-বান্ধৱীৰ পৰা তেওঁলোকৰ দেশ ভ্ৰমণৰ চাক্ষুস অভিজ্ঞতা তথা নিজস্ব দৃষ্টিভংগীৰ এক ৰোমাঞ্চকৰ সোৱাদ লাভ কৰিব পাৰি। সেয়ে তাই শ্ৰৱণৰ যোগেদি পৃথিৱীৰ বিভিন্ন দেশত থকা শ্ৰৱণৰ বন্ধু-বান্ধবীসকললৈ ই-মেইল দিয়া আৰম্ভ কৰিলে। ই-মেইলৰ সোৱাদত কুঁৱলী ইমান অভিভূত হ'ল যে ভিডিঅ' কলিঙৰ সোৱাদ ল'বলৈ তাই উদগ্ৰীৱ হৈ পৰিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সঁচাকৈয়ে ভিডিঅ' কলিং উপভোগ কৰি তাইৰ এনে অনুভৱ হ'ল যেন মুখামুখিকৈ বহিহে কাৰোবাৰ লগত কথা পাতি আছে। ইণ্টাৰনেটে কুঁৱলীৰ মন-মগজু সম্পূৰ্ণ অধিকাৰ কৰি ৰাখিবলৈ ধৰিলে। ইণ্টাৰনেটৰ বিভিন্ন ৱেবছাইটসমূহৰ পৰা তাই বিজ্ঞানৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ বিষয়েও শিকি ল'লে। তদুপৰি সপ্তাহৰ নিৰ্দ্ধাৰিত কেইটামান দিনত তাই পঢ়া সমাপ্ত কৰি অলপ মনোৰঞ্জনৰো আমেজ লয়।

নীতিশিক্ষা থকা পুৰণি চিনেমা, সুগায়ক-গায়িকাৰ মন-প্ৰাণ পুলকিত কৰা চিৰযুগমীয়া গীতসমূহৰ লগতে খেলা-ধূলাও উপভোগ কৰি তাই মনটো প্ৰফুল্লিত কৰি ৰাখে।

কুঁৱলীৰ মাক-দেউতাকে সিদ্ধান্ত ল'লে- পূজাৰ বন্ধত সপৰিয়ালে দক্ষিণ ভাৰতৰ পিনে ফুৰিবলৈ যাব। কেনেকৈ যাব, ক'ত থাকিব, কি কি স্থান দৰ্শন কৰিব তাকে গুণা-গঁথা কৰি মাকৰ চিন্তাৰ পাৰাপাৰ নাই।

দেউতাকেতো খোলা-খুলিকৈ কৈয়ে পেলালে- অফিচৰ এশ এটা কামৰ হেঁচাত টিকট কটা, হোটেল ঠিক কৰা, কোন কোন স্থানলৈ যাব এইবোৰ ভাবিবলৈ তেওঁৰ সময় নাই। কুঁৱলীয়ে হাঁহি হাঁহি মাক-দেউতাকৰ সমস্যাৰ নিমিষতে সমাধানৰ পথ প্ৰশস্ত কৰিলে- 'তোমালোকে একো চিন্তা কৰিব নালাগে। এই সমস্ত দায়িত্ব মোৰ, কম্পিউটাৰটো এনেয়ে সজাবলৈ থৈছোঁ নেকি?' ইণ্টাৰনেটতে কুঁৱলীয়ে টিকট কাটিলে,

বিচাৰি বিচাৰি দামে-কামে সামঞ্জস্য থকা পছন্দৰ হোটেলো বন্দবস্ত কৰিলে, আনকি থাকিবলগীয়া হোটেলৰ কোঠালি আৰু চৌপাশৰ ফটোও মাকক দেখুৱালে। লগতে হোটেলৰ কোঠাৰ অগ্রিম ভাৰাও ই-বেংকিঙৰ যোগেদি জমা দিলে। ভ্রমণৰ উপযোগী হোৱাকৈ আটাইৰে বাবে প্রয়োজনীয় সাজ-পোছাক আৰু অন্যান্য লাগতিয়াল সামগ্রীও নেটৰ যোগেদিয়েই, অর্থাৎ ই-কমার্চৰ সুবিধাত ক্রয় কৰিলে, সময় আৰু কষ্ট কিমান যে লাঘৱ হ'ল!

ভ্ৰমণৰ প্ৰস্তুতি পূৰ্ণগতিত আগবাঢ়ি থাকোঁতেই হঠাৎ এদিন ঘটিল নহয় অঘটনটো-হোটেলৰ পৰা কিবা চিঠি-পত্ৰ আহিছে নেকি বুজ ল'বলৈ কুঁৱলীয়ে কম্পিউটাৰটো অন কৰিলে। পিছে কাৰ্যক্ষম কৰিব নোৱাৰিলে অৰ্থাৎ ভাইৰাচ সোমাল। ভাইৰাচ শব্দটো শুনিয়েই ভায়েক নিয়ৰে আকৌ অসুখৰ ভাইৰাচ বুলিয়েই ভাবি ল'লে। সেয়েহে কুঁৱলীয়ে তাৰ আগত সৰু-সুৰা বক্তৃতা এটাই দিব লগা হ'ল-'বুজিছা নিয়ৰ,

Virus ৰ সম্পূৰ্ণ ৰূপ হৈছে 'Vital information resources under seize'। ই হৈছে এক ধ্বংসাত্মক অভিপ্ৰায়েৰে প্ৰস্তুত কৰা এক কম্পিউটাৰ প্ৰগ্ৰেম। ই নিজকে কম্পিউটাৰত থকা সুস্থ প্ৰগ্ৰেম বা ফাইলৰ লগত সংযুক্ত কৰি সেইবোৰত বিজুতি ঘটাব পাৰে, তাকো আকৌ মূল ব্যৱহাৰকাৰীজনৰ অজ্ঞাতে বা অনুমতি নোলোৱাকৈ।' নিয়ৰক কথাখিনি বুজাই কুঁৱলী তত্তা-তৈয়াকৈ বিশ্ববিদ্যালয়ত পদাৰ্থবিজ্ঞান বিভাগত গৱেষণা কৰি থকা শ্বাবানা বাইদেউৰ


ওচৰ পালেগৈ। বাইদেৱে এন্টিভাইৰাচ চফটৱেৰ এটা কুঁৱলীৰ কম্পিউটাৰটোতে অন্তর্ভুক্ত কৰি বিপদমুক্ত কৰিলে।

ধীৰে ধীৰে কুঁৱলীয়ে নেটৰ ৰঙীন জগতখনৰ ভিতলৈ সোমাই পৰিল। তাই যেন কম্পিউটাৰটোৰ লগত আঠা লাগিহে ধৰিলে। স্কুললৈ সাজু হোৱাৰ আগলৈকে আৰু স্কুলৰ পৰা আহিয়েই মুখ-হাত ধুই নাকে-মুখে কিবা অকণ গুজিয়েই ইণ্টাৰনেট খুলি লয়।

মূল্যায়ন




১ | কুঁৱলীয়ে প্ৰথমে কালৈ ই-মেইল কৰিছিল?



মূল্যায়ন





২ | পূজাৰ বন্ধত কুঁৱলীহঁতে ক'লৈ যোৱাৰ সিদ্ধান্ত লৈছিল?

মূল্যায়ন





৩ | দেউতাকে কুঁৱলীক কিয় কম্পিউটাৰ উপহাৰ দিছিল?

মূল্যায়ন



৪ | ইন্টাৰনেট (Internet) ক চমুকৈ কি বুলি কোৱা হয়?

